হে আবুল মুনজিৰ, আল্লাহৰ কিতাবৰ কোনটো আয়াত তোমাৰ ওচৰত আটাইতকৈ মহান? তেতিয়া মই ক'লোঁ ◌ঃ {اللهُ لا إِلَهَ إلا هُوَ الْحَيُّ الْقَيُّومُ} (এই আয়াতটো মোৰ ওচৰত বেছি গুৰুত্বপূৰ্ণ) এই কথা শুনি তেখেতে মোৰ বুকুত হাতেৰে থপথপাই ক 'লেঃ হে আবুল মুনজিৰ! তোমাৰ জ্ঞানক উষ্ণ আদৰণি জনাইছোঁ।

উবাই বিন কাআব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত , ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ হে আবুল মুনজিৰ , আল্লাহৰ কিতাবৰ কোনটো আয়াত তোমাৰ ওচৰত আটাইতকৈ মহান? আবুল মুনজিৰে কৈছেঃ মই ক'লোঁ , আল্লাহ আৰু তেওঁৰ ৰাছুলেহে ভালদৰে জানে। তেখেতে আকৌ ক'লেঃ হে আবুল মুনজিৰ, আল্লাহৰ কিতাবৰ কোনটো আয়াত তোমাৰ ওচৰত আটাইতকৈ মহান? তেতিয়া মই ক'লোঁ ◌ঃ {اللهُ لا إِلَهَ إلا هُوَ الْحَيُّ الْقَيُّومُ} (এই আয়াতটো মোৰ ওচৰত বেছি গুৰুত্বপূৰ্ণ) এই কথা শুনি তেখেতে মোৰ বুকুত হাতেৰে থপথপাই ক 'লেঃ হে আবুল মুনজিৰ! তোমাৰ জ্ঞানক উষ্ণ আদৰণি জনাইছোঁ।

[ছহীহ] [(মুছলিম)]

এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উবাই ইবনে কাআবক কোৰআনৰ আটাইতকৈ মহান আয়াতটো সম্পৰ্কে প্ৰশ্ন কৰিলে , ফলত তেওঁ উত্তৰ দিয়াত দ্বিধাবোধ অনুভৱ কৰিলে , ইয়াৰ পিছত আকৌ সোধাত তেওঁ ক 'লে যে, সেইটো হৈছে আয়াতুল কুৰ্ছী। {اللـهُ لا إِلَـهَ إلا هُـوَ الْحَـيُّ الْقَيُّـومُ}। উত্তৰ শুনি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক সমৰ্থন কৰিলে , লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ বুকু থপথপাই ইংগিত কৰিলে যে , তোমাৰ এই বুকুখন জ্ঞান আৰু হিকমতৰ দ্বাৰা পৰিপূৰ্ণ হওক , লগতে তেওঁৰ কাৰণে দুআও কৰিলে যে, এই জ্ঞানে যেন তেওঁৰ বাবে সুখ কঢ়িয়াই আনে আৰু তেওঁৰ সকলো কাম সহজ কৰে।

http://www.sunnah.global/hadeeth/as/show/65059